**জনসংযোগ, অসম** **প্ৰেছ বাৰ্তা নং- ২২৯**

## ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) বি ডি আগৰৱালৰ নেতৃত্বৰ এজনীয়া তদন্ত কমিটিৰ কাৰ্যকাল বৃদ্ধি

**দিছপুৰ ১৭ আগষ্ট ঃ** অসম চৰকাৰে অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বি ডি আগৰৱালৰ নেতৃত্বত গঠন কৰা এজনীয়া তদন্ত আয়োগৰ কাৰ্যকাল ১ জুলাইৰ পৰা কাৰ্যকৰী হোৱাকৈ ছয়মাহৰ বাবে বা তাৰ আগতে প্ৰতিবেদন দাখিল কৰালৈকে বৃদ্ধি কৰিছে। উল্লেখযোগ্য যে দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত ধলপুৰ অঞ্চলত জিলা প্ৰসাশনে চলোৱা উচ্ছেদ অভিযানৰ সময়ত আৰক্ষীৰ দ্বাৰা সংঘটিত কৰা গুলীচালনাত দুজন ব্যক্তি নিহত আৰু আৰক্ষীৰ লোককে ধৰি কেইবাগৰাকীও ব্যক্তি আহত হোৱা ঘটনা সন্দৰ্ভত তদন্ত কৰিবলৈ এই এজনীয়া তদন্ত আয়োগ গঠন কৰা হৈছিল।

*এমআৰডি/পিকেডি/১৭-০৮-২০২২*